ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ত অনুষ্ঠিত ...

# কলগাছিয়া নৱজ্যোতি মহাবিদ্যালয়ত 'নাক'ৰ পৰিদৰ্শন

জনসাধাৰণ সেৱা, কলগাছিয়া, ১৫ মে' : কলগাছিয়াৰ নৱজ্যোতি মহাবিদ্যালয়ত অলপতে 'নাক'ৰ মূল্যায়ন কাৰ্য সম্পন্ন হয়। এই সন্দৰ্ভত দিল্লী আই আই টিৰ পৰিচালন সঞ্চালক সুধীৰ কুমাৰ জৈন, নাক পি আৰ টীমৰ সমন্বয়ক ড° এম এম ডি ভূমি নাথন, সদস্য পি গীতাই তিনিদিনীয়া কাৰ্যসূচী লৈ মহাবিদ্যালয়খন পৰিদৰ্শন কৰে। পৰিদৰ্শন কালত নাকৰ পি আৰ টীমে কলেজখনৰ অধ্যক্ষ, পৰিচালনা সমিতি, কোৱালিটী এডভাইজৰী কমিটী, আই কিউ এ চি এলুমনি, ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰী, গ্ৰন্থাগাৰ কৰ্মচাৰীসকল আৰু অন্যান্য সংশ্লিষ্ট ব্যক্তি তথা অনুষ্ঠানৰ শুভাকাংক্ষী প্ৰতিনিধিসকলৰ লগত আলোচনা পৰ্ব অনুষ্ঠিত কৰে। দলটোৱে কলেজখনৰ ১৩ টা বিভাগ অভ্যান্তৰীণ সামৰ্থিক ব্যৱস্থা, সা-সুবিধা সমূহ তথা কলেজখনৰ পুথিভঁৰাল, ছাত্ৰী নিবাস, ছাত্ৰ নিবাস, মাল্টি-জিম, মৌ-মাখি সংৰক্ষণ, মাশ্বৰুম কাল্টিভেচন, পিচিকালচৰ, এন চি চি, বি এচ এণ্ড জি স্মাৰ্ট শ্ৰেণীকোঠা আদিৰ ব্যৱস্থা আৰু সা-সুবিধা সমূহ পৰিদৰ্শন কৰে। দলটোৰ পৰ্যবেক্ষণ আৰু মূল্যায়নৰ সামৰণি সভাত দলটোৰ অধ্যক্ষ এছ কে জৈনে কলেজখনক 'চেণ্টাৰ অব একচেলেন্স' হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত তেওঁৰ মতামত ব্যক্ত কৰি। কলেজখনৰ পৰিচালনা সমিতিৰ সভাপতি মহঃ আলাউদ্দিন, অধ্যক্ষ ড° ছাহজাহান আলী আহমেদ, আৰু আই কিউ এ চিৰ সমন্বয়ক ড° এম এছ শেইখে পি আৰ দলটোক ধন্যবাদ জ্ঞাপন কৰে।